# বিজ্ঞান বাৰ্তা

## ASSAM SCIENCE SOCIETY

# BIGYAN BARTA

Vol-2 | Issue-6 | Nov – Dec-25 | a Bimonthly newsletter








- কেন্দ্ৰীয় সমিতি আৰু শাখাৰ বা-বাতৰি






Phone :+9160013-99315 e-mail: gsass2014@gmail.com

# EDITORIAL BOARD

**Advisors :**

Sri Basanta Deka
Dr. Arup Kumar Misra
Dr. Amal Chandra Dutta
Dr. Jaideep Baruah
Sri Romen Gogoi
Sri Abhijit Sarma Boruah








**Chief Editor :**
Nirud Kumar Borah



**Editor :**
Pankaj Kumar Boruah



**Members:**
Sri Arup Kumar Dutta
Sri Bhupen Sarma
Dr. Kandarpa Kr. Sarma
Sri Tridip Sarma
Sri Biman Handique







**Title page design & Graphics:** Nirud Kumar Borah

**Publisher :**
Mrinal Kumar Hazarika
Secretary, Assam Science Society,
Khanapara,
Jawahar Nagar, Guwahati 781022


# TABLE OF CONTENTS


Editorial ........................................................ 01
Lecture program .............................. .......04
National Education Day.......................................05
Executive meeting ..........................................06
Educational workshop and MoU...........................08
Science based Competition................. ...11
New Silchar branch formation...........................12
Lecture program on Plate Tectonics:
"A Bane or A Boon"...........................................15
Prof Anil Kumar Goswami
Memorial Lecture ...........................................16
Popular Science talk............................................25
New branch formation........ ..........................27
Awareness program ...........................................29
Mathematics Day.......................................31,38
Assam LiFE for Nature Summit ......................34
Awareness program on Parthenium...........35
Silver Jubilee of Branch.. ...............................39
Book distribution .............................................43
Bigyan Barta and B.J ......................................44
Suggestion.........................................................45
Golden photograph............................................46

BIGYAN
BARTA

EDITORIAL

২০২৪ চনৰপৰা প্ৰকাশিত

বিজ্ঞান বাৰ্তা

Vol-2-,-Issue 6::, November-December, A Bimonthly news letter

বৰ্ষ ২ : ৬ষ্ঠ সংখ্যা : নৱেম্বৰ - ডিচেম্বৰ ২০২৫

# সম্পাদকীয়

বিজ্ঞান বাৰ্তাৰ সকলো পঢ়ুৱৈলৈ সাদৰ সম্ভাষণ জনাইছোঁ। ২০২৫ চনৰ নৱেম্বৰ - ডিচেম্বৰ মাহৰ সংখ্যাত অসম বিজ্ঞান সমিতিৰ বিভিন্ন শাখাই সম্পাদিত কৰা বিভিন্ন কাৰ্যসূচী ইয়াত তুলি ধৰিবলৈ যত্ন কৰা হৈছে। এই সময়ছোৱাত অসম বিজ্ঞান সমিতিৰ প্ৰকাশিত গ্ৰন্থৰ টোপোলা শিক্ষা খণ্ডৰ জৰিয়তে বিদ্যালয়সমূহলৈ বিতৰণৰ কাৰ্যসূচী, বিভিন্ন শাখাই অনুষ্ঠিত কৰা স্মাৰক বক্তৃতা প্ৰদান অনুষ্ঠান, সজাগতা সভা, ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞানীৰ অতি মনোগ্ৰাহী অন্তৰংগ আলাপ, শাখাৰ নিকটৱৰ্তী অঞ্চলত সংঘটিত পৰিৱেশ বিৰোধী কাৰ্য-কলাপ সম্পৰ্কত সমিতিৰ দায়বদ্ধতা সম্পৰ্কত সম্যক প্ৰতিবেদন প্ৰস্তুত কৰণ আৰু Assam LiFE For Nature Summit উক্ত বিষয় উত্থাপন। কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা সভাগৃহত অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি, কটন মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ আৰু অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ প্ৰাক্তন সঞ্চালক ডও অনিল কুমাৰ গোস্বামী প্ৰথম বাৰ্ষিক বক্তৃতানুষ্ঠানটি অনুষ্ঠিত কৰা, নতুন শাখাৰ গঠন কৰা, বিভিন্ন শাখাৰ অধিৱেশন অনুষ্ঠিত কৰা, শিক্ষামূলক কৰ্মশালা অনুষ্ঠিত কৰা আদি কাৰ্যৰ বিৱৰণ প্ৰকাশ পাইছে। সমূহ শাখাৰ বিভিন্ন দিহা পৰামৰ্শ তথা নতুনত্বৰ চিন্তা আগবঢ়াবলৈ শিতান খুলি দিয়া হৈছে কাৰোবাৰ হাতত ইতিমধ্যে থকা আপুৰুগীয়া চিত্ৰ (বিজ্ঞান সমিতিৰ সৈতে জড়িত) পঠিয়ালে প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা হৈছে অসম বিজ্ঞান সমিতি আৰু আগুৱাই যাওক তাৰেই আশাৰে,-


শ্ৰদ্ধাৰে,

নিৰোদ কুমাৰ বৰা
পংকজ কুমাৰ বৰুৱা






Published by : General Secretary, Assam Science Society, Khanapara, Jawahar Nagar, Guwahati 781022, Assam



# অসম বিজ্ঞান সমিতিৰ শোক প্ৰকাশ

গুৱাহাটী, ১০ নৱেম্বৰ, ২০২৫

অসম বিজ্ঞান সমিতিয়ে সমিতিৰ প্ৰাক্তন সভাপতি (২০০৯-২০১১ বৰ্ষ), আন্তৰ্জাতিক খ্যাতি সম্পন্ন পদাৰ্থ বিজ্ঞানী তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰী অধ্যাপক **ডঃ দিলীপ কুমাৰ চৌধুৰী ছাৰ**ৰ যোৱা ৯ নৱেম্বৰ, ২০২৫ তাৰিখে হোৱা বিয়োগত গভীৰ শোক প্ৰকাশ কৰে।

সমিতিয়ে চৌধুৰী ছাৰৰ বিয়োগত সমিতিৰ, পদাৰ্থ বিজ্ঞান জগতৰ তথা সমগ্ৰ অসমৰ অপূৰণীয় ক্ষতি বুলি অনুভৱ কৰে। সমিতিৰ এজন সদস্য তথা সভাপতিৰূপে ছাৰে আগবঢ়োৱা অৱদানৰ কথা সমিতিয়ে শ্ৰদ্ধাৰে সোঁৱৰে আৰু শোক-সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**(ডঃ অৰূপ কুমাৰ মিশ্ৰ)**
**সভাপতি**

**(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)**
**প্ৰধান সচিব**

অসম বিজ্ঞান সমিতি

ধেমাজি শাখা: ২ নৱেম্বৰ ২০২৫ তাৰিখে অসম বিজ্ঞান সমিতি, ধেমাজি শাখা আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, ধেমাজি খণ্ডৰ উদ্যোগত নিমন্ত্ৰিত সমল ব্যক্তি বিশিষ্ট জ্যোতিৰ্বিজ্ঞানী তেজপুৰ বিশ্ববদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ কিশোৰ বৰুৱাদেৱে 'বিশ্বব্ৰহ্মাণ্ডৰ ধাৰণা আৰু বৰ্তমানৰ মহাকাশ বিজ্ঞানৰ অগ্ৰগতি' বিষয়ক এক অতি প্ৰয়োজনীয় বক্তৃতা প্ৰদান কৰে। বক্তৃতানুষ্ঠানটিৰ পাছতেই ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞানীৰ এক অতি মনোগ্ৰাহী অন্তৰংগ আলাপ অনুষ্ঠিত হয়। অনুষ্ঠানটিত ডিমৰীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ জ্যোতিমণি বৰুৱাই বক্তব্য ৰাখে। ইয়াৰ পাছতে ড০ বৰুৱাৰ তেওঁৰ উন্নতমানৰ দূৰবীক্ষণৰ সহায়ত চন্দ্ৰ পৰ্যবেক্ষণ কৰি সকলোটি আপ্লুত হৈ পৰে। অনুষ্ঠানটিত ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা দেৱজ্যোতি সন্দিকৈয়ে আদৰণি ভাষণ আগবঢ়ায়। ধেমাজিৰ ১২ খন বিদ্যালয়ৰ ২০ গৰাকী প্ৰধান, শিক্ষক-শিক্ষয়িত্ৰী, আৰু প্ৰায় ২০০ গৰাকী ছাত্ৰ ছাত্ৰীৰ লগতে অভিভাবকে অংশগ্ৰহণ কৰে। সমগ্ৰ অনুষ্ঠানটিৰ আঁত ধৰে বিজ্ঞান সমিতি, ধেমাজিৰ শাখাৰ সভনেত্ৰী লাৱণ্য লাহন চুতীয়া আৰু আহ্বায়ক শিক্ষক কন্দৰ্প তামুলীয়ে। জ্যোতি বুঢ়াগোহাঁই, নয়নদীপ দত্ত, লোহিত ভৰালী প্ৰমুখ্যে কেইবাগৰাকী শিক্ষকে সহযোগ আগ বঢ়ায়।










# Nat'l Education Day

Nat'l Education Day in, Nov 12: Marking National Education Day, the Doomdooma branch of the Assam Science Socie-ty, in collaboration with Doomdooma Girls' Higher Secondary School, organised a workshop on Science and Mathematics for students of Classes IX and X on Tuesday.The programme began with a solemn tribute and observing a minute's silence in memory of Assamese singer Zubeen Garg, lyricist and composer Syed Chadul-la, internationally acclaimedflautist Deepak Sarma, not-ed folk artist Ramcharan Bharali, and eminent physi-cist and former Assam Sci-ence Society president Dr Dilip Kumar Choudhury.Presided over by Dr Mee-na Devi Baruah, the session was introduced by general secretary Dhiren Deka, who explained the objectives of the event. Principal of Doom-dooma Girls' Higher Second-ary School, Sangeeta Barka-koti, in her address, high-lighted the importance of National Education Day and applauded the organisers for fostering scientific curiosityamong students.The training sessions were conducted by resource persons Sunil Kumar, headmaster (in-charge) of Makum Hindi School, and Subrata Chakraborty, Math-ematics teacher of Borhap-jan High School, who pro-vided hands-on learning ex-periences based on the NCERT curriculum.Utpal Pujari, joint secre-tary of Assam Science So-ciety, coordinated the Math-ematics segment, while life member Aarti Sarkar Sonowal led the Science session.











: ১৯৫৩ ২১ নম্বৰ আইন (১৮৬০)ৰ অধীনত
: 1953

## অসম বিজ্ঞান সমিতি

## ASSAM SCIENCE SOCIETY

(Regd. Under Societies Registration Act XXI of 1860. Regd. No. 49 of 1960-61)
Head Office: Jawaharnagar, Khanapara, Guwahati – 781022, Assam, India
Phone No.: +91 60013-99315, E-mail: gsass2014@gmail.com

নং-অবিস/ইচি-৩/২০২৫-২৭ তাৰিখঃ ০৭-১১-২০২৫

প্ৰেৰকঃ
শ্ৰী মৃণাল কুমাৰ হাজৰিকা
প্ৰধান সচিব, অসম বিজ্ঞান সমিতি
প্ৰতি
কাৰ্যনিৰ্বাহক কমিটিৰ সমূহ সদস্যলৈ
মহাশয়/মহাশয়া,

নমস্কাৰ গ্ৰহণ কৰিব।

পত্ৰযোগে আপোনাক জনাওঁ যে, অহা ১২ নৱেম্বৰ, ২০২৫ তাৰিখ বুধবাৰে সন্ধিয়া ৭-৩০ বজাত কাৰ্যনিৰ্বাহক কমিটিৰ এখন সভা (৪ৰ্থ সংখ্যক) ভাৰ্চুৱেল মাধ্যমযোগে আহ্বান কৰা হৈছে। সভাৰ লিংক পৰৱৰ্তী সময়ত কাৰ্যনিৰ্বাহক কমিটিৰ হোৱাটচ আপ গ্ৰুপত প্ৰেৰণ কৰা হ'ব।

উক্ত সভাত আপোনাৰ উপস্থিতি নিতান্তই বাঞ্ছনীয়।


**কাৰ্যসূচী**

১। সভাপতিৰ আসন গ্ৰহণ- ড০ অৰূপ কুমাৰ মিশ্ৰ, সভাপতি, অসম বিজ্ঞান সমিতি।
২। সভাৰ উদ্দেশ্য ব্যাখ্যা- শ্ৰী মৃণাল কুমাৰ হাজৰিকা, প্ৰধান সচিব, অসম বিজ্ঞান সমিতি।
৩। (ক) বিগত কাৰ্যনিৰ্বাহক সভাৰ লিখিত প্ৰতিবেদন উপস্থাপন আৰু অনুমোদন।
(খ) বিগত কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্ত আৰু পৰামৰ্শৱলীৰ কাৰ্যকৰীকৰণ সম্পৰ্কত চমু প্ৰতিবেদন।
৪। সমগ্ৰ শিক্ষা অভিযানৰ পৰা পঠোৱা কিতাপ ক্ৰয়ৰ পত্ৰ সম্পৰ্কত।
৫। DST ৰ প্ৰকল্পৰ কাৰ্যসূচীসমূহৰ কাৰ্যকৰীকৰণ সম্পৰ্কত।
৬। ড০ অনিল কুমাৰ গোস্বামীৰ মৃত্যু বাৰ্ষিকী উদযাপন সম্পৰ্কত।
৭। কেন্দ্ৰীয় কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত বিজ্ঞান বিষয়া পদৰ দায়িত্ব সম্পৰ্কত।
৮। অন্যান্য।
৯। সভাপতিৰ বক্তব্য আৰু সভাৰ সামৰণি।


ধন্যবাদ সহকাৰে-


**(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)**
প্ৰধান সচিব
অসম বিজ্ঞান সমিতি


কেন্দ্ৰীয় কাৰ্যালয়ঃ আজি ১২ নৱেম্বৰ, ২০২৫ তাৰিখে ভাৰ্চুৱেল মাধ্যম যোগে হোৱা কাৰ্যনিৰ্বাহক কমিটিৰ ৪ৰ্থ সংখ্যক সভাৰ কিছু আলোকচিত্ৰ।











স্থাপিতঃ ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০)ৰ অধীনত পঞ্জীভুক্ত

**অসম বিজ্ঞান সমিতি**

**ASSAM SCIENCE SOCIETY**

**(Regd. Under Societies Registration Act XXI of 1860. Regd. No. 49 of 1960-61)**
**Head Office: Jawaharnagar, Khanapara, Guwahati – 781022, Assam, India**
**Phone No.: +91 60013-99315, E-mail: gsass2014@gmail.com**

নং-অবিস/প্ৰস/২০২৫-২৬/২৩৩ — তাৰিখঃ ১৩-১১-২০২৫

প্ৰেৰকঃ
শ্ৰী মৃণাল কুমাৰ হাজৰিকা
প্ৰধান সচিব

প্ৰতি
**সভাপতি/সম্পাদক**
**সমূহ শাখা, অসম বিজ্ঞান সমিতি**

**বিষয়ঃ** শাখাৰ নিকটৱৰ্তী অঞ্চলত সংঘটিত পৰিৱেশ বিৰোধী কাৰ্য-কলাপ সম্পৰ্কত সমিতিৰ দায়বদ্ধতা সম্পৰ্কত।

মহাশয়/মহাশয়া,
নমস্কাৰ গ্ৰহণ কৰিব।

ওপৰোক্ত বিষয় সন্দৰ্ভত আপোনালোকক জনাব বিচাৰো যে, আপোনালোকৰ শাখাৰ নিকটৱৰ্তী অঞ্চল সমূহত যদি কিবা পৰিৱেশ বিৰোধী কাৰ্যকলাপ দৃষ্টিগোচৰ হয়, তেন্তে সেই সম্পৰ্কত এটি সম্যক প্ৰতিবেদন প্ৰস্তুত কৰি সমিতিলৈ অহা ১৪ নৱেম্বৰ, ২০২৫ তাৰিখৰ ভিতৰত সমিতিলৈ পঠিয়াবলৈ অনুৰোধ কৰা হ'ল। যাতে সময়োচিতভাৱে উক্ত বিষয় সম্পৰ্কত সমিতিয়ে ব্যৱস্থা গ্ৰহণৰ লগতে চৰকাৰক এই সম্পৰ্কত অৱগত কৰিব পাৰে যেন। অহা ১৬-১৭ নৱেম্বৰ, ২০২৫ তাৰিখে গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া Assam LiFE For Nature Summit সমিতিয়ে অংশগ্ৰহণ কৰিব আৰু উক্ত বিষয় উত্থাপন কৰিব।

সেয়েহে উক্ত বিষয়ত আপোনালোকে সজাগ হৈ সমিতিৰ কাম-কাজত অৰিহণা যোগাব বুলি আশা কৰিলোঁ।

যদি কিবা পৰিৱেশ বিৰোধী কাৰ্যকলাপ দৃষ্টিগোচৰ হয়, তেন্তে সেই সম্পৰ্কত এটি সম্যক প্ৰতিবেদন প্ৰস্তুত কৰি সমিতিলৈ অহা ১৪ নৱেম্বৰ, ২০২৫ তাৰিখৰ ভিতৰত সমিতিলৈ পঠিয়াবলৈ অনুৰোধ কৰা হ'ল। যাতে সময়োচিতভাৱে উক্ত বিষয় সম্পৰ্কত সমিতিয়ে ব্যৱস্থা গ্ৰহণৰ লগতে চৰকাৰক এই সম্পৰ্কত অৱগত কৰিব পাৰে যেন। অহা ১৬-১৭ নৱেম্বৰ, ২০২৫ তাৰিখে গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া Assam LiFE For Nature Summit সমিতিয়ে অংশগ্ৰহণ কৰিব আৰু উক্ত বিষয় উত্থাপন কৰিব।

সেয়েহে উক্ত বিষয়ত আপোনালোকে সজাগ হৈ সমিতিৰ কাম-কাজত অৰিহণা যোগাব বুলি আশা কৰিলোঁ।

ইতি,
ধন্যবাদ সহকাৰে-

**(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)**
প্ৰধান সচিব
অসম বিজ্ঞান সমিতি

শিক্ষামূলক কৰ্মশালা পুৰণিগুদামৰ নিশি কান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়।












# ঢকুৱাখনা শাখা

ঢকুৱাখনা শাখাঃ ইংৰাজী ০২/১১/২০২৫ তাৰিখে অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখা, মেগামিক্স প্ৰকৃতি সংঘ আৰু ঢকুৱাখনা মহাবিদ্যালয় (স্বাঃ) ৰ মাজত বুজাবুজিৰ স্মাৰকপত্ৰ MoU (Memorandum of understanding) নৱীকৰণ কৰা হয়। ঢকুৱাখনা মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ডঃ নৰেন্দ্ৰনাথ দত্ত, অসম বিজ্ঞান সমিতিৰ উপসভাপতি ডঃ অমল চন্দ্ৰ দত্ত, অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ সভাপতি দেৱজিৎ ফুকন, কাৰ্যকৰী সভাপতি পৰমানন্দ দত্ত, সম্পাদক বিমান সন্দিকৈ লগতে শাখাৰ উপদেষ্টা, আজীৱন সদস্য উপস্থিত থাকে।





# কেন্দ্ৰীয় কাৰ্যালয়ঃ দিলীপ চৌধুৰী চাৰৰ পৰিয়ালক আজি অসম বিজ্ঞান সমিতিৰ তৰফৰ পৰা মাত লগোৱা হয়।







ওম শান্তি

## -ঃ শ্ৰদ্ধাঞ্জলি ঃ-



**স্বৰ্গীয় ড° দিলীপ কুমাৰ চৌধুৰী**

| -ঃ জন্ম ঃ- | -ঃ মৃত্যু ঃ- |
|---|---|
| ০১/০৯/১৯৪৬ | ০৯/১১/২০২৫ |

ওঁ পূৰ্ণমদঃ পূৰ্ণমিদং পূৰ্ণাৎ পূৰ্ণমুদচ্যতে।
পূৰ্ণস্য পূৰ্ণমাদায় পূৰ্ণমেবাৱশিষ্যতে।
ওঁ শান্তিঃ শান্তিঃ শান্তিঃ ।।

ওম শান্তি

সবিনয় নিবেদন,

কাতি মাহৰ, ২২ তাৰিখ (ইং ৯ নৱেম্বৰ, ২০২৫) তাৰিখ দেওবাৰে আমাৰ পৰম আৰাধ্য ড° দিলীপ কুমাৰ চৌধুৰীৰ পৰলোক প্ৰাপ্তি ঘটে।

তেখেতৰ পৰলোকগত আত্মাৰ সদগতি আৰু চিৰশান্তি কামনাৰ্থে অহা ২ আঘোন (ইং ১৯ নৱেম্বৰ, ২০২৫) তাৰিখ বুধবাৰে আদ্যশ্ৰাদ্ধৰ আয়োজন কৰা হৈছে। শ্ৰাদ্ধৰ দিনা সপৰিয়ালে উপস্থিত হৈ শোক-সন্তপ্ত পৰিয়ালবৰ্গক কৃতাৰ্থ কৰিব বুলি আশাৰে সাদৰেৰে নিমন্ত্ৰণ জনালোঁ।

ইতি
**শোকাকুল পৰিয়ালবৰ্গৰ হৈ**
শ্ৰীমতী নীলিমা চৌধুৰী (সহধৰ্মীনি)

ড° সংঘমিত্ৰা চৌধুৰী (কন্যা) ড° শৈলেন্দ্ৰ সিং (জোৱাই)
ডাঃ শুভমিত্ৰা চৌধুৰী (কন্যা) ডাঃ সঞ্জয় ভট্টাচাৰ্য্য (জোৱাই)
প্ৰবীণ চৌধুৰী (ভাতৃ), বিজয়লক্ষ্মী অধিকাৰী (ভগ্নী), ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী (ভাতৃ), ড° অনিমা চৌধুৰী (ভগ্নী) ড° মিনতি ভূঞা চৌধুৰী (ভগ্নী), মৃণাল কুমাৰ চৌধুৰী (ভাতৃ)
নাতি-নাতিনী ঃ আদিত্য, জাগ্ৰতি, মংণীষ।

-ঃ শ্ৰাদ্ধস্থলী ঃ- সোমনাথ মন্দিৰ, বশিষ্ঠ ঘাইপথ, তেতেলীয়া গুৱাহাটী - ৭৮১০১১

**সময় বিয়লি ৩ বজাৰ পৰা নিশা ৮ বজালৈ**
**দূৰভাষ ঃ ৯৪৩৫৪ ৪৯২৪৮, ৮৪৮৬১ ১১৪৭৯**

Estd. : 1953

অসম বিজ্ঞান সমিতি

ASSAM SCIENCE SOCIETY

(Regd. Under Societies Registration Act XXI of 1860. Regd. No. 49 of 1960-61)

Head Office: Jawaharnagar, Khanapara, Guwahati – 781022, Assam, India

Phone No.: +91 60013-99315, E-mail: gsass2014@gmail.com

নং-অবিস/প্রস/২০২৫-২৬/২৩৬ তাৰিখঃ ১৮-১১-২০২৫

প্ৰেৰকঃ

শ্ৰী মৃণাল কুমাৰ হাজৰিকা

প্ৰধান সচিব

প্ৰতি

**সভাপতি/সম্পাদক**

**সমূহ শাখা, অসম বিজ্ঞান সমিতি**

**বিষয়ঃ** শাখাৰ জাতীয় বিজ্ঞান পুঁজি গঠন কৰা সম্পৰ্কত।

মহাশয়/মহাশয়া,

নমস্কাৰ গ্ৰহণ কৰিব।

পত্ৰযোগে আপোনালোকক জনাব বিচাৰো যে, আপোনাসৱে বিগত সময়ছোৱাত সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ পৃষ্ঠপোষকতাৰ বিভিন্ন কাৰ্যসূচীৰ উপৰিও নিজাববীয়াকৈয়ো বহু কাৰ্যসূচী সফলতাৰে সম্পন্ন কৰি অসম বিজ্ঞান সমিতিৰ মূল উদ্দেশ্য সিদ্ধি কৰি আহিছে আৰু আগলৈও কৰি থাকিব। কেন্দ্ৰীয় সমিতিৰ পৰা আপোনালোকক যিধৰণে সহায় আগবঢ়াই আহিব লাগে তাৰ ত্ৰুটি কৰা নাই। শেহতীয়াকৈ সমিতিৰ অন্যতম শাখা 'গৌৰীসাগৰ দিখৌমুখ' শাখাই নিজা প্ৰচেষ্টাৰে এটি জাতীয় বিজ্ঞান পুঁজি গঠন কৰি ভৱিষ্যতত আৰ্থিক ভাৱে স্বচ্ছল হোৱাৰ প্ৰচেষ্টা লৈছে।

গতিকে এই ধৰণৰ পুঁজি আপোনালোকেও গঠন কৰি প্ৰতিটো শাখাই আৰ্থিক দিশত স্বাৱলম্বী হোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

সেয়েহে উপৰোক্ত বিষয় সম্পৰ্কত আপোনাকে এটি পদক্ষেপ গ্ৰহণ কৰি সমিতিক অধিক স্বাৱলম্বী কৰি তুলিব বুলি আশা কৰিলোঁ।

ইতি,

ধন্যবাদ সহকাৰে-

**(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)**

প্ৰধান সচিব

অসম বিজ্ঞান সমিতি

আমবাগান শাখাঃ অসম বিজ্ঞান সমিতি আমবাগান শাখাৰ অধীনস্থ আয্যভট্ট বিজ্ঞান কেন্দ্র লাওঁখোৱা খণ্ডৰ দ্বাৰা আয়োজিত বিজ্ঞান ভিত্তিক বিভিন্ন প্ৰতিযোগিতাৰ আলোকচিত্ৰ। পুৱা 9.00 বজাত পতাকা উত্তোলনেৰে আৰম্ভ হোৱা অনুষ্ঠানটি আবেলি 3.00 বজাত পুৰস্কাৰ বিতৰণী সভাৰে অন্ত পৰে।














## শিলচৰ শাখাঃ অসম বিজ্ঞান সমিতিৰ শিলচৰ শাখা গঠন কৰাৰ স্থিৰ চিত্ৰ।






SILCHAR:The Assam Science Society formed its Silchar branch at an informal meeting held at Cachar College here. The session was chaired by Dr. Apratim Nag, principal, Cachar College, in the presence of Dr. Nirmal Ku-mar Sarkar, member, State Executive Committee and former office-bearer of the Society's Sribhumi branch. Dr. Nag welcomed the initiative and conveyed the support of the Society's state president, Dr. Arup Kumar Mishra. He also acknowledged the guidance extended by Dr. Sarkar. Dr. Sarkar outlined the Society's constitution and structure. He noted that Silchar, as the second-largest city of Assam and an academic hub, is a natural home for a new branch. He also informed the gathering. m Science char College local challenges. Assistant Prof. Dr. Manabendra Nath spoke on the process of patent registration. Others who shared their views included Anil Paul, a pioneer of the Science Trial Organisation and a Science Congress in Barak Valley, along with Dr. Subhash Debnath and Dr. Abhijit Nath of Gurucharan University. Senior faculty members of Cachar College were also present. The meeting unanimously elected the office-bearers of the new Silchar branch. Eminent environmentalist Prof. Dr. Parthankar Choudhury was chosen as the founder president. Dr. Mukul Kumar Baruah was named executive president. The three vice presidents are Dr. Gunakar Das, Dr. Abhijit Nath and Dr. Abhijit Saha. **Dr. Biswajit Deb Roy** was elected secretary, with Mrinal Kanti Dey of Narsing Higher Secondary School and Dr. Shwetosmita Nath as joint secretaries. Dr. Gayatri Ghosh will serve as treasurer. An eleven-member executive committee was also constituted. So far, the Silchar branch has enrolled 15 life members, 18 annual members, and five student members. Among those present were educators and student representatives from Gurucharan University and Cachar College.

কেন্দ্ৰীয় কাৰ্যালয়ঃ ২০২৫ চনৰ ১ ডিচেম্বৰ তাৰিখ সোমবাৰে দুপৰীয়া ২:০০ বজাত, কটন ইউনিভাৰ্চিটি পানবজাৰ, গুৱাহাটীৰ কে বি আৰ অডিটৰিয়ামত হব লগীয়া "প্ৰথম অধ্যাপক অনিল কুমাৰ গোস্বামী সোঁৱৰণী বক্তৃতা" অনুষ্ঠানৰ বাবে অধ্যাপক অনিল কুমাৰ গোস্বামীৰ পৰিয়ালৰ সৈতে আজি আলোচনাত মিলিত হওঁ মই নিৰোদ বৰা, যুটীয়া সচিব, প্ৰধান সচিব মৃণাল কুমাৰ হাজৰিকা আৰু সভাপতি ড অৰূপ কুমাৰ মিশ্ৰই।







**Prof. Anil Kumar Goswami**

*Prof. Anil Kumar Goswami was a Professor of Physics, a passionate science communicator, an institution builder and an expert academic administrator, all rolled into one person. He retired as Principal, Cotton College and served Assam Science Technology & Environment Council also as Director. Prof. Goswami's contribution to scientific movement in Northeast India is a long chapter of independent India. He was also General Secretary during 1975-79 and President of Assam Science Society during 1995-97 and gave a big boost to the popular science movement in Assam.*

**Prof. Somak Raychaudhury**

*Somak Raychaudhury is the Vice-Chancellor of Ashoka University. He has undergraduate degrees from Presidency College, University of Calcutta and University of Oxford. After his PhD from the University of Cambridge, he worked at Harvard-Smithsonian Centre for Astrophysics, where he also was part of the team that built the Chandra X-Ray Observatory for NASA. After teaching for over a decade at the University of Birmingham, UK, he returned to India as Dean of Sciences at Presidency University, Kolkata, and went on to become the Director of the Inter-University Centre for Astronomy and Astrophysics (IUCAA), Pune. Dr Raychaudhury is a Fellow of the National Academy of Sciences. His research involves a wide range of topics in Cosmology and Astrophysics, from the ground and from Space.*

The undersigned on behalf of
Assam Science Society
Cordially invite you to the

**"First Prof. Anil Kumar Goswami Memorial Lecture"**
to be delivered by
**Prof. Somak Raychaudhary**
Eminent Physicist and
Vice-Chancellor of Ashoka University

On Monday, the 1st of December, 2025
at 2:00 PM
Venue: KBR Auditorium, Cotton University
Panbazar, Guwahati- 781001

Dr. Arup Kumar Misra
President

Mr. Mrinal Kumar Hazarika
General Secretary

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে
নিয়মীয়া বাৰ্তা
VOL-15 NO-262 FRIDAY 28 NOVEMBER 2025

## অনিল কুমাৰ গোস্বামী স্মাৰক বক্তৃতানুষ্ঠান

**গুৱাহাটী, ২৭ নৱেম্বৰ ঃ** অহা ১ ডিচেম্বৰত কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা সভাগৃহত অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি, কটন মহাবিদ্যালয়ৰ অবসৰপ্ৰাপ্ত অধ্যক্ষ আৰু অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ প্ৰাক্তন সঞ্চালক ড° অনিল কুমাৰ গোস্বামী প্ৰথম বাৰ্ষিক বক্তৃতানুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠানটিত 'আমাৰ বিশ্বব্ৰহ্মাণ্ডৰ ভৱিষ্যৎ' শীৰ্ষ বিষয়ত বক্তৃতা প্ৰদান কৰিব হাৰিয়ানাৰ অশোকা বিশ্ববিদ্যাবিদ্যালয়ৰ উপাচাৰ্য ড° সোমক ৰায়চৌধুৰীয়ে। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকিব কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, অধ্যাপক ৰমেশ চন্দ্ৰ ডেকা। অনুষ্ঠানত সভাপতিত্ব কৰিব বিজ্ঞান সমিতিৰ সভাপতি ড° অৰূপ কুমাৰ মিশ্ৰই। অনুষ্ঠানত ড° অনিল কুমাৰ গোস্বামীৰ পৰিয়ালবৰ্গৰ লগতে সমিতিৰ সমূহ সদস্য উপস্থিত থাকিব। অনুষ্ঠানত ড° অনিল কুমাৰ গোস্বামীৰ এখন স্মাৰক গ্ৰন্থ উন্মোচন কৰিব অধ্যাপক ৰমেশ চন্দ্ৰ ডেকাই।

একাত্ৰিত কৰা [illegible]

### পূৰ্বৰ কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ-পদাৰ্থ বিজ্ঞানী

## ড° অনিল কুমাৰ গোস্বামী সোঁৱৰণী বক্তৃতানুষ্ঠানৰ আয়োজন

**গুৱাহাটী, ২৮ নৱেম্বৰ ঃ** পূৰ্বৰ কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, বিশিষ্ট পদাৰ্থ বিজ্ঞানী প্ৰয়াত ড° অনিল কুমাৰ গোস্বামীৰ নামত আয়োজন কৰা ড° অনিল কুমাৰ গোস্বামী স্মাৰক বক্তৃতা অনুষ্ঠানটি অহা ১ ডিচেম্বৰ সোমবাৰে দিনৰ ২ বজাত কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণু ৰাভা প্ৰেক্ষাগৃহত আয়োজন কৰা হৈছে। অসম ছায়েন্স ছ'চাইটিৰ সভাপতি ড° অৰূপ কুমাৰ মিশ্ৰ আৰু সাধাৰণ সম্পাদক মৃণাল কুমাৰ হাজৰিকাই জনোৱামতে এইবাৰ প্ৰথমবাৰৰ বাবে আয়োজন কৰা স্মাৰক বক্তৃতা অনুষ্ঠানত হাৰিয়ানাৰ অশোকা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, বিশিষ্ট পদাৰ্থ বিজ্ঞানী সৌমাক ৰায়চৌধুৰীয়ে ড° অনিল কুমাৰ গোস্বামীৰ জীৱন আৰু সততাৰ লগতে 'দি ফিউচাৰ অব্ ইউনিভাৰ্ছ' শীৰ্ষক বক্তৃতা প্ৰদান কৰিব। উল্লেখযোগ্য যে এই বক্তৃতা অনুষ্ঠানত কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ৰমেশ চন্দ্ৰ ডেকাৰ লগতে কেইবাগৰাকীও বিশিষ্ট বিজ্ঞানীয়ে অংশগ্ৰহণ কৰিব। প্ৰয়াত ড° অনিল কুমাৰ গোস্বামীৰ পত্নী বিশিষ্ট স্ত্ৰীৰোগ বিশেষজ্ঞ ডাঃ অলকা গোস্বামীয়ে জনোৱামতে [illegible] বক্তৃতা অনুষ্ঠানতে [illegible] পৃষ্ঠাৰ এখন স্মৃতি গ্ৰন্থও প্ৰকাশ [illegible] অসম বিজ্ঞান সমিতিয়ে আয়োজন কৰা এই স্মাৰক বক্তৃতানুষ্ঠানটিত অসমৰ কেইবাশ ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

দৈনিক গণ অধিকাৰ
মূক জনতাৰ মুক্ত কণ্ঠ
গুৱাহাটী, শুকুৰবাৰ, ২৮ নৱেম্বৰ, ২০২৫

## অনিল কুমাৰ গোস্বামী প্ৰথম বাৰ্ষিক বক্তৃতানুষ্ঠান

**গুৱাহাটী, ২৭ নৱেম্বৰ ঃ** অহা ১ ডিচেম্বৰ সোমবাৰে দুপৰীয়া ২ বজাত কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা সভাগৃহত অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি, কটন মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ আৰু অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ প্ৰাক্তন সঞ্চালক ড০ অনিল কুমাৰ গোস্বামী প্ৰথম বাৰ্ষিক বক্তৃতানুষ্ঠানটি অনুষ্ঠিত হ'ব। অনুষ্ঠানটিত "আমাৰ বিশ্বব্ৰহ্মাণ্ডৰ ভৱিষ্যত" শীৰ্ষ বিষয়ত বক্তৃতা প্ৰদান কৰিব বিশিষ্ট জ্যোতিপদাৰ্থবিদ আৰু হাৰিয়ানাৰ অশোকা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড০ সোমক ৰায়চৌধুৰীয়ে। অনুষ্ঠানটিত মুখ্য অতিথিৰূপে উপস্থিত থাকিব কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকা। অনুষ্ঠানটিত সভাপতিত্ব কৰিব অসম বিজ্ঞান সমিতিৰ সভাপতি ড০ অৰূপ কুমাৰ মিশ্ৰই। অনুষ্ঠানটিত ড০ অনিল কুমাৰ গোস্বামী দেৱৰ পৰিয়াল বৰ্গৰ লগতে অসম বিজ্ঞান সমিতিৰ সমূহ সদস্য উপস্থিত থাকিব। উক্ত অনুষ্ঠানটিত ড০ অনিল কুমাৰ গোস্বামীৰ এখন স্মাৰক গ্ৰন্থ উন্মোচন কৰা হ'ব। উন্মোচন কৰিব অধ্যাপক ৰমেশ চন্দ্ৰ ডেকাই। অনুষ্ঠানটিত সকলোৰে উপস্থিতি কামনা কৰা হ'ল।

Estd. : 1953

অসম বিজ্ঞান সমিতি

**ASSAM SCIENCE SOCIETY**

**(Regd. Under Societies Registration Act XXI of 1860. Regd. No. 49 of 1960-61)**
**Head Office: Jawaharnagar, Khanapara, Guwahati – 781022, Assam, India**
**Phone No.: +91 60013-99315, E-mail: gsass2014@gmail.com**

নং-অবিস/প্ৰস/২০২৫-২৬/২৩৫ তাৰিখঃ ২০-১১-২০২৫

প্ৰতি

**সভাপতি/সম্পাদক**

**সমূহ শাখা, অসম বিজ্ঞান সমিতি**

**বিষয়ঃ** ড০ অনিল কুমাৰ গোস্বামীৰ মৃত্যুবাৰ্ষিকী উদযাপন সম্পৰ্কত।

মহাশয়/মহাশয়া,

নমস্কাৰ গ্ৰহণ কৰিব।

পত্ৰযোগে আপোনালোকক জনাওঁ যে, অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি তথা প্ৰধান সচিব, গুৱাহাটীৰ কটন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ প্ৰাক্তন সঞ্চালক আৰু ৰাষ্ট্ৰীয় শিশু বিজ্ঞান কংগ্ৰেছৰ প্ৰাক্তন আয়োজক- প্ৰয়াত ড০ অনিল কুমাৰ গোস্বামীৰ স্মৃতিত অসম বিজ্ঞান সমিতিয়ে তেওঁৰ মৃত্যু বাৰ্ষিকী স্মৃতিচাৰণ অনুষ্ঠান অহা **১ ডিচেম্বৰ, ২০২৫ তাৰিখে, ২-০০ বজাত কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত** অনুষ্ঠিত কৰিব। সেয়েহে উক্ত অনুষ্ঠানটিত আপোনালোকক আন্তৰিকতাৰে আমন্ত্ৰণ জনাইছো।

উক্ত অনুষ্ঠানটিক কেন্দ্ৰ কৰি বিশিষ্ট জ্যোতিপদাৰ্থ বিজ্ঞানী, প্ৰেচিডেন্সি বিশ্ববিদ্যালয়, কলিকতাৰ বিজ্ঞানৰ বিভাগৰ অধ্যাপক ড০ সৌমক ৰায়চৌধুৰীয়ে স্মৃতিচাৰণ বক্তৃতাটি প্ৰদান কৰিব। ড০ সৌমক ৰায়চৌধুৰীয়ে কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানত পি.এইচ.ডি ডিগ্ৰী অৰ্জন কৰিছে। কলিকতাৰ প্ৰেচিডেন্সি বিশ্ববিদ্যালয়ৰ অধ্যাপক হিচাপে তেওঁ উদ্যমী গৱেষক সমুদায়ক নেতৃত্ব দিয়াৰ লগতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ গৱেষকৰ সৈতেও সক্ৰিয়ভাৱে জড়িত। বিজ্ঞান শিক্ষাৰ এজন দৃঢ় সমৰ্থক হিচাপে ড০ ৰায়চৌধুৰীয়ে সঘনাই বক্তৃতা আৰু বিজ্ঞান প্ৰচাৰত জড়িত হৈ থাকি পৰৱৰ্তী প্ৰজন্মৰ বিজ্ঞানীসকলক অনুপ্ৰাণিত কৰি আহিছে।

সেয়েহে উক্ত অনুষ্ঠানটিত আপোনালোকৰ সবল উপস্থিতিৰে আমাক কৃতাৰ্থ কৰিব বুলি আশা কৰিলোঁ।

**তাৰিখ আৰু সময়: ১ ডিচেম্বৰ, ২০২৫; দুপৰীয়া ২-০০ বজাত।**


**স্থানঃ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা (কে.বি.আৰ.) প্ৰেক্ষাগৃহ, কটন বিশ্ববিদ্যালয়, গুৱাহাটী**

ইতি,

ধন্যবাদ সহকাৰে-

**(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)**
প্ৰধান সচিব
অসম বিজ্ঞান সমিতি

ডিব্ৰুগড় শাখাঃ “Plate Tectonics: A Bane or A Boon” বিষয়ত বক্তৃতা প্ৰদান কৰে ভুতত্ববিদ ড০ দিলীপ মজুমদাৰে। বিজ্ঞান সমিতিৰ ডিব্ৰুগড় শাখাই আয়োজন কৰা অনুষ্ঠানটি উদ্বোধন কৰে উপাচাৰ্য ড০ জিতেন হাজৰিকাই। শাখাৰ সভানেত্ৰী ড০ ভাৰতী দত্তই পৌৰহিত্য কৰা অনুষ্ঠানটিত তেখেতৰ দুখন গ্ৰন্থ “অন্য এক মহাত্মা” আৰু “চিন্তা-প্ৰভা” উন্মোচন কৰে যথাক্ৰমে ড০ জিতেন হাজৰিকা আৰু ড০ শশীকান্ত শইকীয়াই। 28-11-25












# ড০ অনিল কুমাৰ গোস্বামী প্ৰথম বাৰ্ষিক বক্তৃতানুষ্ঠান

১ ডিচেম্বৰ, ২০২৫ তাৰিখ, সোমবাৰে দুপৰীয়া ২-০০ বজাত কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা সভাগৃহত অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি, কটন মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ আৰু অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ প্ৰাক্তন সঞ্চালক ড০ অনিল কুমাৰ গোস্বামী প্ৰথম বাৰ্ষিক বক্তৃতানুষ্ঠানটি অনুষ্ঠিত হয়। অনুষ্ঠানটিত "আমাৰ বিশ্বব্ৰহ্মাণ্ডৰ ভৱিষ্যত" শীৰ্ষ বিষয়ত বক্তৃতা প্ৰদান কৰে বিশিষ্ট জ্যোতিপদাৰ্থবিদ আৰু হাৰিয়ানাৰ অশোকা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড০ সোমক ৰায়চৌধুৰীয়ে। অনুষ্ঠানটিত মুখ্য অতিথিৰূপে উপস্থিত থাকে কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকা। অনুষ্ঠানটিত সভাপতিত্ব কৰে অসম বিজ্ঞান সমিতিৰ সভাপতি ড০ অৰূপ কুমাৰ মিশ্ৰই। অনুষ্ঠানটিত ড০ অনিল কুমাৰ গোস্বামী দেৱৰ পৰিয়াল বৰ্গৰ লগতে অসম বিজ্ঞান সমিতিৰ বহুসংখ্যক সমূহ সদস্য উপস্থিত থাকে। উক্ত অনুষ্ঠানটিত ড০ অনিল কুমাৰ গোস্বামীৰ এখন স্মাৰক গ্ৰন্থ উন্মোচন কৰা হয়। উন্মোচন কৰে অধ্যাপক ৰমেশ চন্দ্ৰ ডেকাই। শলাগৰ শৰাই আগবঢ়ায় প্ৰধান সচিব শ্ৰী মৃণাল কুমাৰ হাজৰীকাই।উল্লেখযোগ্য যে প্ৰথম বাৰৰ বাবে গোটেই অনুষ্ঠানটো অসম বিজ্ঞান সমিতিৰ ইউটিউব চেনেল যোগে লাইভ সম্প্ৰচাৰ কৰা হয়।












*আজি ১ ডিচেম্বৰ, ২০২৫ তাৰিখে অনুষ্ঠিত হোৱা অধ্যাপক অনিল কুমাৰ গোস্বামী সোঁৱৰণী প্ৰথম বক্তৃতানুষ্ঠানৰ কেইখন মান স্থিৰ ছবি।*






*আজি ১ ডিচেম্বৰ, ২০২৫ তাৰিখে অনুষ্ঠিত হোৱা অধ্যাপক অনিল কুমাৰ গোস্বামী সোঁৱৰণী প্ৰথম বক্তৃতানুষ্ঠানৰ কেইখন মান স্থিৰ ছবি।*






















*আজি ১ ডিচেম্বৰ, ২০২৫ তাৰিখে অনুষ্ঠিত* হোৱা অধ্যাপক অনিল কুমাৰ গোস্বামী সোঁৱৰণী প্ৰথম বক্তৃতানুষ্ঠানৰ কেইখন মান স্থিৰ ছবি।











*আজি ১ ডিচেম্বৰ, ২০২৫ তাৰিখে অনুষ্ঠিত হোৱা অধ্যাপক অনিল কুমাৰ গোস্বামী সোঁৱৰণী প্ৰথম বক্তৃতানুষ্ঠানৰ কেইখন মান স্থিৰ ছবি।*
















**STAFF REPORTER**

GUWAHATI Dec 1 "We often worry about what will happen to Earth in the next hundred years. But cosmologists are asking a fer grand er quests what will hap pen to the Earth the Son, our Galaxy and the entire universe in the next few billion years," said Somak Ray-Choudhury Vice-Chancellor of Ashoka University while delivering the first Prof Anil Kumar Goswami Memorial Lecture here today. The memorial lecture, titled "The Future of the Universe', was held at the KBR Auditorium of Cotton University in honour of renowned physicist and teacher Prof Anil Kumar Goswami. The astrophysicist, Ray-Choudhury explained that the key to understanding the ultimate fate of the Universe. His in studying its constituents including normal matter, mysterious dark matter and the dark energy " Our knowledge of the Universe is evolving constantly he said, while talking about earlier theories including interpretations of the Big Bang, once suggested that the Universe might eventually collapse under its own gravity. However, with decades of observations from the Hubble Space Telescope and several modern space missions, the picture has changed dramatically. Scientists now believe the Universe is not just expanding, but expanding faster than before," he said. "There is no sign that this expansion will slow down or reverse," he added. Ray choudhury also described the growing. evidence for dark energy, a mysterious form of energy that appears to be driving this accelerated expansion. The programme began with an introductory speech (Assamese) by Dr Dibakar Goswami, younger brother of Prof Goswami, followed by a welcome address (English) by Animita Goswami, his daughter. Assam Science Society president

87 years of service to the nation

The Assam Tribune

PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & DIBRUGARH

024-2026, VOL. 87, NO. 326 · www.assamtribune.com · /THEASSAMTRIBUNE · /ASSAMTRIBUNEOFF · /THEASSAMTRIBUNE_OFFICIAL · GUWAHATI, TU

First Anil Kumar Goswami memorial lecture

## Our knowledge of the Universe is evolving constantly: Dr Raychaudhury




*Prof Somak Raychaudhary, eminent physicist and Vice-Chancellor, Ashoka University delivering the First Prof Anil Kumar Goswami Memorial Lecture, in Guwahati on Monday. – AT photo*

Dr Arup Kumar Misra briefed the gathering about the life and legacy of Prof Goswami. Calling him a "teacher, dreamer and institution builder, Dr Misra said that Goswami's visionary leader-ship helped shape helped shape key scientific institutions in the State, including the planetarium and science museum "He was the torchbearer for thousands in Assam. Un-der his presidency, the Assam Science Society reached new heights," he said. Dr Misra also said that it was the wish of Dr Alaka Goswami, wife of the late physicist, to organize such a memorial lecture annually with plans to introduce a scholarship in his name. Vice-Chancellor of Cotton University Prof Ramesh Chandra Deka was present as the chiefguest. Prof Deka and Dr Satyendra Kumar Choudhury, former faculty of the Department of Chemistry, erstwhile Cotton College also spoke on the occasion. Dr Alaka Goswami was also present on the occasion.

P.T.O.

. A commemorative, book titled, Shiksha aru Gana-bigyanar Barnil Jyotishka: Dr Anil Kumar Goswami, edited by Dipanka Hazarika, was also released during the event. The book contains articles about the life and works of Prof Anil Kumar Goswami. Dr Sayanika Dutta, head of the Department of Mass Communication, Journalism and Media Studies, Cotton University compered the event. The general secretary of Assam Science Society Mrinal Kumar Hazarika offered the vote of thanks.

গুৱাহাটী আৰু শিলচৰৰ পৰা প্ৰকাশিত
গৌৰৱোজ্জ্বল যাত্ৰাৰ দ্বাত্ৰিংশ বৰ্ষ
দৈনিক গণ অধিকাৰ
মূক জনতাৰ মুক্ত কণ্ঠ
চেম্বৰ, ২০২৫ ■ ১৬ আঘোণ, ১৯৪৭ শক ■ GUWAHATI, VOL. XXXII, NO. 120, WEDNESDAY, 3 DECEMBER, 202

# অধ্যাপক অনিল কুমাৰ গোস্বামীৰ স্মৃতিত প্ৰথম স্মাৰক বক্তৃতা অনুষ্ঠিত



**গুৱাহাটী, ২ ডিচেম্বৰ ঃ** কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা সভাগৃহত এক ডিচেম্বৰত অনুষ্ঠিত প্ৰথম বাৰ্ষিক অধ্যাপক অনিল কুমাৰ গোস্বামী স্মাৰক বক্তৃতাত অংশ লৈ অশোকা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য তথা খ্যাতনামা জ্যোতিৰ্পদাৰ্থবিজ্ঞানী অধ্যাপক সোমক ৰায়চৌধুৰীয়ে কয় যে মানুহৰ ব্ৰহ্মাণ্ডক লৈ থকা জ্ঞান 'প্ৰতিদিনেই উন্নত হৈছে'। 'দ্য ফিউচাৰ অৱ দ্যা ইউনিভাৰ্ছ' শীৰ্ষক বক্তৃতাত অধ্যাপক ৰায়চৌধুৰীয়ে কয় যে মানুহে সাধাৰণতে পৰৱৰ্তী শতাব্দীত পৃথিবীৰ কি হ'ব সেই লৈ চিন্তা কৰে, কিন্তু মহাকাশ বিজ্ঞানীসকলে বহু বিস্তৃত প্ৰশ্নকলৈ মনোনিবেশ কৰে —কেইবাবিলিয়ন বছৰৰ পিছত পৃথিবী, সূৰ্য্য, মিল্কি ৱে গ্যেলেক্সী আৰু সমগ্ৰ ব্ৰহ্মাণ্ডৰ কি হ'ব? তেওঁ বুজাই কয় যে ব্ৰহ্মাণ্ডৰ চূড়ান্ত ভাগ্য বুজিবলৈ স্বাভাৱিক দ্ৰব্য, ৰহস্যময় ডাৰ্ক মেটাৰ আৰু ডাৰ্ক এনাৰ্জিৰ দৰে মৌলিক উপাদানসমূহ অধ্যয়ন কৰাই মুখ্য কাম। 'ব্ৰহ্মাণ্ড সম্বন্ধীয় আমাৰ জ্ঞান সদায় বিকাশমান,' তেওঁ কয়। বৰ্তমান বিজ্ঞানীসকলৰ মতে ব্ৰহ্মাণ্ড কেৱল বিস্তৃত নহয়, বৰং আগৰ তুলনাত অধিক বেগেৰে বিস্তৃত হৈ আছে। এই অনিয়ন্ত্ৰিত বিস্তাৰক চালনা কৰি থকা শক্তিকেই বিজ্ঞানীসকলে ডাৰ্ক এনাৰ্জি বুলি অভিহিত কৰে। 'এই বিস্তাৰ হ্ৰাস হোৱাৰ বা ওলোটা হোৱাৰ কোনো লক্ষণ পৰিলক্ষিত হোৱা নাই,' অধ্যাপক ৰায়চৌধুৰীয়ে কয়। স্মাৰক বক্তৃতাটো আয়োজন কৰা হৈছিল কটন বিশ্ববিদ্যালয়ৰ খ্যাতিমান পদাৰ্থবিজ্ঞানী আৰু শিক্ষাবিদ অধ্যাপক অনিল কুমাৰ গোস্বামীৰ সন্মানত। কাৰ্যসূচীটো আৰম্ভ হয় ড° দিবাকৰ গোস্বামীৰ এটা অসমীয়া ভূমিকা ভাষণেৰে। তাৰ পিছত স্বাগতম ভাষণ দিয়ে অধ্যাপক অনিল গোস্বামীৰ কন্যা অমিতা গোস্বামীয়ে। অসম বিজ্ঞান সমিতিৰ সভাপতি ড° অৰূপ কুমাৰ মিশ্ৰই অধ্যাপক গোস্বামীৰ জীৱন আৰু বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত তেওঁৰ অৱদান বৰ্ণনা কৰি কয় যে অধ্যাপক গোস্বামী এজন 'শিক্ষক, স্বপ্নদৰ্শী আৰু সংস্থা-গঠনকাৰী' আছিল। তেওঁ জনায় যে অধ্যাপক গোস্বামীৰ পত্নী ড° অলকা গোস্বামীয়ে বছৰি বছৰি এই স্মাৰক বক্তৃতা আয়োজনৰ পৰামৰ্শ দিছিল আৰু শীঘ্ৰেই তেওঁৰ নামেৰে এটা স্ক'লাৰশ্বিপ ঘোষণা কৰাৰ পৰিকল্পনা আছে। ড° অলকা গোস্বামী কাৰ্যসূচীত উপস্থিত আছিল। কাৰ্যসূচীত মুখ্য অতিথি আছিল কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকা। লগতে ৰসায়ন বিভাগৰ অৱসৰী অধ্যাপক ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰীয়ে গোস্বামীৰ বৈজ্ঞানিক কৃতিত্ব আৰু শিক্ষাগত দৃষ্টি বৰ্ণনা কৰে। অনুষ্ঠানত 'শিক্ষা আৰু গণবিজ্ঞানৰ বৰ্ণিল জ্যোতিষ্ক ঃ ড° অনিল কুমাৰ গোস্বামী' শীৰ্ষক এখন স্মাৰক গ্ৰন্থ প্ৰকাশ পায়। দীপাংক হাজাৰিকাই সম্পাদনা কৰা এই গ্ৰন্থখনত গোস্বামীৰ জীৱন আৰু জনহিতৈষী কৰ্মৰ বিষয়ে বহু প্ৰবন্ধ সন্নিবিষ্ট আছে। কাৰ্যসূচীটোৰ আঁত ধৰে কটন বিশ্ববিদ্যালয়ৰ গণসংযোগ, সাংবাদিকতা আৰু সংবাদ মাধ্যম অধ্যয়ন বিভাগৰ বিভাগীয় ড° চয়নিকা দত্তই। অনুষ্ঠানৰ অন্তত ধন্যবাদ জ্ঞাপন কৰে অসম বিজ্ঞান সমিতিৰ প্ৰধান সচিব মৃণাল কুমাৰ হাজৰিকাই।






বকো শাখাঃ অসম বিজ্ঞান সমিতি, বকো শাখাৰ যোৱা অনুষ্ঠিত হৈ যোৱা কাৰ্যকৰী সভাৰ কিছু মুহূৰ্ত।





# অভিনন্দন



বিজ্ঞান জেউতিৰ সম্পাদক সন্মানীয় অভিজিত শৰ্মা বৰুৱা অহা 9 ডিচেম্বৰ, 2025 তাৰিখে দিল্লীত অনুষ্ঠিত হব লগা IISF ত পেনেলিষ্ট হিচাপে নিমন্ত্ৰিত হৈছে। তেখেতে ইতিমধ্যেই সন্মতি প্ৰদান কৰিছে। তেখেতলৈ বহুত অভিনন্দন জনাইছোঁ।

-প্ৰধান সচিব, অসম বিজ্ঞান সমিতি

স্থাপিতঃ ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০)ৰ অধীনত পঞ্জীভু

# অসম বিজ্ঞান সমিতি

# ASSAM SCIENCE SOCIETY

**(Regd. Under Societies Registration Act XXI of 1860. Regd. No. 49 of 1960-61)**
**Head Office: Jawaharnagar, Khanapara, Guwahati – 781022, Assam, India**
**Phone No.: +91 60013-99315, E-mail: gsass2014@gmail.com**

নং-অবিস/প্ৰস/২০২৫-২৬/২৪৫ তাৰিখঃ ০৬-১২-২০২৫

প্ৰেৰকঃ

শ্ৰী মৃণাল কুমাৰ হাজৰিকা

প্ৰধান সচিব

প্ৰতি

**সম্পাদক/সভাপতি**

**সমূহ শাখা, অসম বিজ্ঞান সমিতি**

**বিষয়ঃ অসম বিজ্ঞান দিৱস (প্ৰতিষ্ঠা দিৱস) ত জ্যেষ্ঠ সদস্যক সম্বৰ্ধনা জ্ঞাপন সম্পৰ্কত।**

মহাশয়/মহাশয়া,

নমস্কাৰ গ্ৰহণ কৰিব।

পত্ৰযোগে আপোনালোকক জনাওঁ যে, ঢকুৱাখনা অধিৱেশনৰ প্ৰতিনিধি সভাৰ সিদ্ধান্ত অনুসৰি আগন্তুক ২০২৬ বৰ্ষৰ অসম বিজ্ঞান দিৱস (প্ৰতিষ্ঠান দিৱস)ত প্ৰতিটো শাখাৰে ৩ জনকৈ ৭৫ ঊৰ্ধৰ সদস্যক সম্বৰ্ধনা জ্ঞাপন কৰাৰ বাবে আপোনালোকক অনুৰোধ জনোৱা হ'ল। এই সম্পৰ্কত মনোনীত প্ৰাৰ্থীৰ তথ্য সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয়ত অহা ১০ জানুৱাৰি, ২০২৬ তাৰিখৰ ভিতৰত সমিতিৰ ই-মেইলঃ gsass2015@gmail.com ত পঠিয়াবলৈ অনুৰোধ জনোৱা হ'ল। উল্লেখ্য যে, যদি কোনোবা শাখাৰ মনোনয়নৰ বাবে উপযুক্ত প্ৰাৰ্থী নাই, তেন্তে এই ক্ষেত্ৰত শাখাৰ অন্তৰ্গত সমিতিৰ সদস্য পদ নথকা স্থানীয় অন্য কোনো বিজ্ঞান কৰ্মীকো মনোনীত কৰিব পাৰে। মানপত্ৰখন কেন্দ্ৰীয় কাৰ্যালয়ৰ তৰফৰ পৰা প্ৰদান কৰা হ'ব।

সেয়েহে উক্ত বিষয় সম্পৰ্কত শাখাসমূহক প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি সমিতিৰ কাম-কাজত অৰিহণা যোগাব বুলি আশা কৰিলোঁ।

ইতি,

ধন্যবাদ সহকাৰে-

**(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)**

প্ৰধান সচিব

অসম বিজ্ঞান সমিতি

বিশ্বনাথ চাৰিআলি শাখাঃ যোৱা ৫ ডিচেম্বৰ, ২০২৫ তাৰিখে প্ৰয়াত ডিপুমণি শৰ্মা সোঁৱৰণী ন্যাসৰ সৌজন্যত তথা অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ উদ্যোগত বিশ্বনাথৰ বিহালীস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত ১৩ সংখ্যক প্ৰয়াত ডিপুমণি শৰ্মা সোঁৱৰণী জনপ্ৰিয় বিজ্ঞান বক্তৃতানুষ্ঠান সম্পন্ন হয়। অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখা তথা প্ৰয়াত ডিপুমণি শৰ্মা সোঁৱৰণী ন্যাসৰ স্থায়ী সভাপতি ড০ প্ৰদীপ কুমাৰ মহন্তদেৱৰ সঞ্চালনাত বহা সভাত নিৰ্দ্দিষ্ট বক্তাৰূপে উপস্থিত থাকে বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট গৱেষক ড০ চিন্তামণি শৰ্মাই। পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ প্ৰথম ষান্মাসিকৰ ছাত্ৰী কাকলি বৰুৱাই পৰিবেশন কৰা  বৰগীতেৰে আৰম্ভ হোৱা সভাত প্ৰয়াত ডিপুমণিৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে অসম সাংবাদিক সন্থাৰ সভাপতি নৰেন বৰাদেৱে। মাল্যাৰ্পকৰ বক্তব্যত অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ উদ্যোগত অনুষ্ঠিত এনে কাৰ্যসূচী সুদুৰপ্ৰসাৰী হওক- তেখেতে কামনা কৰে আৰু প্ৰয়াত ডীপুমণি শৰ্মাৰ চুটি জীৱনক প্ৰয়াত ডিপুমণি শৰ্মা সোঁৱৰণী ন্যাসে অমৰ কৰি ৰাখিছে| পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দেৱজিত বৰুৱাদেৱে আদৰণি ভাষণ প্ৰদান কৰা সভাত প্ৰয়াত ডিপুমণি শৰ্মাৰ পৰিচয় দাঙি ধৰে বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ অধ্যাপক ড০ ৰত্ন কিংকৰ গোস্বামীয়ে। নিৰ্দ্দিষ্ট বক্তাৰ ভাষণত ড০ চিন্তামণি শৰ্মাদেৱে **'দৈনন্দিন জীৱনত ৰসায়ন'** শীৰ্ষকৰ ওপৰত নিজৰ বক্তব্য দাঙি ধৰে। তেখেতে উল্লেখ কৰে যে বৰ্তমান সময়ত সমাজ তথা জনসাধাৰণৰ মাজত বিজ্ঞান জনপ্ৰিয়কৰণত এনে ধৰণৰ বক্তৃতাই ইতিবাচক ভূমিকা গ্ৰহণ কৰে। তেখেতে আমি দৈনিক খোৱা খাদ্যবস্তুৰ পৰা আৰম্ভ কৰি আমি ব্যৱহাৰ কৰা প্ৰসাধনৰ বস্তু, কাপোৰ ধোৱা







ডিটাৰজেণ্ট আদিত থকা ৰাসায়নিক পৰাৰ্থবোৰৰ ৰাসায়নিক সংযুক্তি তথা সেইবোৰে আমাৰ দেহত পেলাব পৰা প্ৰভাৱসমুহৰ বিষয়ে অতি সহজ-সৰলভাৱে উপস্থিত শ্ৰোতাসকলৰ আগত দৃশ্যশ্ৰব্য যন্ত্ৰৰ ব্যৱহাৰ কৰি অৱগত কৰায়। তেখেতে মানৱ জীৱনত বিভিন্ন প্ৰকাৰে এই পদাৰ্থবোৰ ব্যৱহাৰ কৰোঁতে সাৱধানতা অৱলম্বন কৰিব লাগে।



উল্লেখ থাকে যে যোৱা ২২ আগষ্ট, ২০২৫ তাৰিখে বিশ্বনাথ মহাবিদ্যালয়ত অনুষ্ঠিত অসম বিজ্ঞান সমিতিৰ ৬৯ তম্ কাৰিকৰী সত্ৰ তথা ৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ সফল ৰূপায়নত সহযোগ আগবঢ়োৱা সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা বিশ্বনাথ জিলা সমিতিৰ সভাপতি শ্ৰী সুনীল সুতাৰক বিশেষভাৱে সম্ভাষণ জনোৱা হয়। বক্তৃতানুষ্ঠানৰ সঞ্চালক ড০ প্ৰদীপ কুমাৰ মহন্তদেৱে হয়। অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাই প্ৰয়াত ডিপুমণি শৰ্মা সোঁৱৰণী ন্যাসৰ তত্বাৱধানত ১৯৯৬ চনৰ পৰাই আয়োজন কৰি অহা জনপ্ৰিয় বিজ্ঞান বক্তৃতানুষ্ঠান পূৰ্বতে বছেৰেকীয়া আছিল যদিও বিভিন্ন কাৰণত বৰ্মান তিনিবছৰৰ মুৰে মুৰে অনুষ্ঠিত হোৱা কথা সভাত উল্লেখ কৰে। উক্ত সভাখনৰ আৰম্ভৰ পৰা শেষৰ শলাগৰ শৰাইলৈকে আঁত ধৰে অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখা তথা প্ৰয়াত ডিপুমণি শৰ্মা সোঁৱৰণী ন্যাসৰ সম্পাদক ড০ সঞ্জীৱ উপাধ্যায়ে। উক্ত কাৰ্যসূচীত প্ৰায় দুশ ছাত্ৰ-ছাত্ৰী থকাৰ উপৰিও প্ৰয়াত ডিপুমণি শৰ্মাৰ জ্যেষ্ঠ ভাতৃ জিতুমণি শৰ্মা, অপুমণি শৰ্মা তথা বাইদেউ নিজু দেৱী, বিমলা শৰ্মা, পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ ড০ অৰুপ কুমাৰ দত্ত, ড০ অৰুনাভ ফুকনকে আদি কৰি প্ৰায় সকলোকেইজন অধ্যাপক-অধ্যাপিকা, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ জিলা কাৰ্যকৰী সদস্য কুমাৰ সুনাৰ, মামুদ আহমেদ অঞ্চলটোৰ বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।






**ছিপাঝাৰ শাখাঃ** আজি দৰং জিলাৰ অধীনৰ দুনী দিপীলাৰ বৃহত্তৰ অঞ্চলক সামৰি অসম বিজ্ঞান সমিতিৰ এটা শাখা, ছিপাঝাৰ শাখাৰ উদ্যোগত গঠন কৰা হয়।







**Lakhipur Branch:** Newly formed Committee of Assam science society, Lakhipur Branch (2025-27)



ASSAM SCIENCE SOCIETY
LAKHIPUR BRANCH
Office- Lakhipur H.S. School (Temporary), P.O.- Lakhipur
Dist.- Goalpara (Assam)
Pin-783129

Date : 02/12/2025

অসম বিজ্ঞান সমিতি, লক্ষীপুৰ শাখা
কাৰ্যনিৰ্বাহক সমিতি
(২০২৫ - ২৭ বৰ্ষ)

| | |
|---|---|
| উপদেষ্টা : | ১) শ্ৰী যতীশ চক্ৰবৰ্ত্তী<br>২) অৰুণ কুমাৰ শৰ্মা<br>৩) ড° মীৰা দেৱী<br>৪) শ্ৰী অনল চক্ৰবৰ্ত্তী<br>৫) আব্দুল বাকি মণ্ডল |
| **সভাপতি :** | **শ্ৰী সৰ্বানন্দ শৰ্মা**<br>(9707756370)<br>sarbanandasarma@gmail.com |
| কাৰ্যকৰী সভাপতি : | বিজুলী চক্ৰবৰ্ত্তী |
| উপ সভাপতি : | ১) আছমত আলী আহমেদ<br>২) মল্লিকা দাস |
| **সাধাৰণ সম্পাদক :** | **জাহাঙ্গীৰ হুছেইন**<br>(8876988321)<br>jh79026@gmail.com |
| যুটীয়া সম্পাদক : | ১) দ্বীজেন গোস্বামী<br>২) ছফিয়ৰ ৰহমান |
| সহ সম্পাদক : | সঞ্জয় কুমাৰ বৰ্মন |
| কাৰ্যকৰী সদস্য বৃন্দ : | ১) সম্ভুনাথ সাহা<br>২) বিপুল বৰুৱা<br>৩) নুৰ আলম<br>৪) মনোৱাৰ হুছেইন<br>৫) ড° ৰীনা ৰানী দাস<br>৬) শ্বেখ মনিৰুজ জামান<br>৭) নীলিমা দাস<br>৮) আব্দুল কায়ুম<br>৯) গীতিকা অধিকাৰী ( আহ্বায়িকা, মহিলা কোষ )<br>১০) অমিত কুমাৰ দাস (ছাত্ৰ সদস্য)<br>১১) তিৰিন কৃষ্ণ বৰ্মন (হিচাপ পৰীক্ষক) |

সম্পাদক
অসম বিজ্ঞান সমিতি
লক্ষীপুৰ শাখা

https://www.facebook.com/groups/488216401368951/?ref=share&mibextid=NSMWBT

আপোনা সৱে অসম বিজ্ঞান সমিতিৰ পেজটো ফল’ কৰিব। আপোনাৰ শাখাৰ কামৰ কথা ইয়াত দিব পাৰে। লগতে মাননীয় সদস্য সকলে বিজ্ঞান সম্বন্ধীয় নিজা নিজা মৌলিক লিখনি ইয়াত প্ৰকাশ কৰিব পাৰে। ধন্যবাদ।

*নিৰোদ কুমাৰ বৰা*
*যুটীয়া সচিব, অসম বিজ্ঞান সমিতি*






পূব কামৰূপ শাখাঃ আজি ১৬/১২/২০২৫ ইং তাৰিখে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ "ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য আচনি ২০২৫-২৬" ৰ উদ্যোগত আৰু "অসম বিজ্ঞান সমিতি, পূব কামৰূপ শাখা“ ৰ সহযোগত খেহেনীপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ত মানসিক স্বাস্থ্যৰ ওপৰত এক সজাগতা সভা আয়োজন কৰা হয়। উক্ত সভাত অসম বিজ্ঞান সমিতি, পূব কামৰূপ শাখাৰ সা: সম্পাদক আলটাফ হুচেইন খণ্ডকৰে সভাৰ আত ধৰে। সভাৰ মূল কাৰ্যসূচী "মানসিক স্বাস্থ্য" আৰু "মানসিক ৰোগ আৰু ইয়াৰ নিবাৰণ“ ৰ ওপৰত জিলা মানসিক স্বাস্থ্য বিষয়া জেহেৰুল ইছলামে ভাষণ ৰাখে। ছাত্ৰ ছাত্ৰীৰ লগত বাস্তৱ জীৱনত ঘটা কিছু ঘটনাৰ দ্বাৰা মানসিক স্বাস্থ্য সুস্থ কৰি ৰখাৰ ওপৰত বাৰ্তালাপ কৰে অসম বিজ্ঞান সমিতি; পূব কামৰূপ শাখাৰ কাৰ্যনিৰ্বাহক সদস্য চাহিল মহ: চাবেৰিনে। প্ৰায় অৰ্ধ শতাধিক ছাত্ৰ ছাত্ৰয়ে অংশগ্ৰহণ কৰা এই সভাৰ সামৰণী ভাষণ প্ৰদান কৰে খেহেনীপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হলধৰ তালুকদাৰ ডাঙৰীয়াই। শেষত ছাত্ৰ ছাত্ৰীৰ মাজত লঘু আহাৰ বিতৰণ কৰি সভাৰ সমাপ্তি কৰা হয়।











**ইং ২০/১২/২০২৫** তাৰিখে "ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ"ৰ উদ্যোগত, "অসম বিজ্ঞান সমিতি, পূব কামৰূপ শাখা"ৰ সহযোগত কৰৰা উ:মা: বিদ্যালয়ত“ বিজ্ঞানৰ এক কৰ্মশালা আৰু ভ্ৰাম্যমাণ প্ৰদৰ্শনী" অনুষ্ঠিত কৰা হয়। সভাত আদৰণি ভাষণ প্ৰদান কৰে কৰৰা উ: মা: বিদ্যালয়ৰ অধ্যক্ষ কমলেশ্বৰ চৌধুৰীদেৱে। অনুষ্ঠানৰ আত ধৰে অসম বিজ্ঞান সমিতি, পূব কামৰূপ শাখাৰ সা: সম্পাদক আলটাফ হুচেইন খণ্ডকৰ ডাঙৰীয়াই। ছাত্ৰ-ছাত্ৰীৰ মাজত ৰাসায়ন আৰু পদাৰ্থ বিজ্ঞানৰ বিভিন্ন পৰীক্ষা প্ৰদৰ্শন কৰি সহজ ভাষাত বিজ্ঞানৰ বিভিন্ন কথা বুজাই দিয়ে সমল ব্যক্তি বিকাশ ডেকা (ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ, অসম) আৰু নয়নমনি মেধি (ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ, অসম) এ। শেষত ছাত্ৰ ছাত্ৰীৰ মাজত "ভ্ৰাম্যমাণ বিজ্ঞান প্ৰদৰ্শনী বাহন"ত থকা বিভিন্ন আৰ্হিৰ কথা বিতংকৈ বাখ্যা কৰে অসম বিজ্ঞান সমিতি, পূব কামৰূপ শাখাৰ কাৰ্যনিৰ্বাহক সদস্য চাহিল মহ: চাবেৰিন আৰু সদস্য লাকি আহমেদে। এই অনুষ্ঠানত প্ৰায় ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।











পূব কামৰূপ শাখাঃ আজি ২২/১২/২০২৫ ইং তাৰিখে "অসম বিজ্ঞান সমিতি, পূব কামৰূপ শাখাৰ উদ্যোগত"; ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ, গুৱাহাটীৰ সহযোগত প্ৰজ্ঞা একাডেমি, বাইহাটা চাৰিআলিত ৰাষ্ট্ৰীয় গণিত দিৱস উদযাপন কৰা হয়। উক্ত দিৱসৰ লগত সংগতি ৰাখি গণিত বিষয়ৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ এখনি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। লগতে গণিত আৰু বিজ্ঞান বিষয়ৰ বিভিন্ন আৰ্হি প্ৰদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীসকলক সহজ ভাষাত বুজাই দিয়া হয়। সভাত আদৰণি ভাষণ প্ৰদান কৰে প্ৰজ্ঞা একাডেমীৰ অধ্যক্ষ ত্ৰিগুনা ৰঞ্জন শৰ্মাই। পূব কামৰূপ শাখাৰ সা: সম্পাদক আলটাফ হুচেইন খণ্ডকৰ ডাঙৰীয়াই গণিত বিষয়ৰ আৰ্হি প্ৰদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীক গণিত বিষয়ৰ প্ৰতি আগ্ৰহী কৰে। ৰসায়ন বিজ্ঞান আৰু পদাৰ্থ বিজ্ঞানৰ আৰ্হি প্ৰদৰ্শন কৰে সমল ব্যক্তি নয়নমনি মেধি (ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ, গুৱাহাটী) য়ে। শেষত ছাত্ৰ ছাত্ৰীৰ মাজত "ভ্ৰাম্যমাণ বিজ্ঞান প্ৰদৰ্শনী বাহন"ত থকা বিভিন্ন আৰ্হিৰ কথা বিতংকৈ বাখ্যা কৰে অসম বিজ্ঞান সমিতি, পূব কামৰূপ শাখাৰ কাৰ্যনিৰ্বাহক সদস্য চাহিল মহ: চাবেৰিন আৰু সদস্য ক্ৰমে লাকি আহমেদ, ৰেকিবুল হুচেইন আৰু ইস্তে খাৰুল আলম আজে। এই অনুষ্ঠানত প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।








আজি ২৪/১২/২০২৫ ইং তাৰিখে "ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ"ৰ উদ্যোগত, "অসম বিজ্ঞান সমিতি, পূব কামৰূপ শাখা"ৰ সহযোগত আদৰ্শ জাতীয় বিদ্যালয়, বিহদিয়া" বিজ্ঞানৰ এক কৰ্মশালা আৰু ভ্ৰাম্যমাণ প্ৰদৰ্শনী" অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ আত ধৰে অসম বিজ্ঞান সমিতি, পূব কামৰূপ শাখাৰ সা: সম্পাদক আলটাফ হুচেইন খণ্ডকৰ ডাঙৰীয়াই। আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত ৰাসায়ন আৰু পদাৰ্থ বিজ্ঞানৰ বিভিন্ন পৰীক্ষা প্ৰদৰ্শন কৰি সহজ ভাষাত বিজ্ঞানৰ বিভিন্ন কথা বুজাই দিয়ে সমল ব্যক্তি বিকাশ ডেকা (ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ, অসম) আৰু নয়নমনি মেধি (ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ, অসম) এ। শেষত ছাত্ৰ ছাত্ৰীৰ মাজত "ভ্ৰাম্যমাণ বিজ্ঞান প্ৰদৰ্শনী বাহন"ত থকা বিভিন্ন আৰ্হিৰ কথা বিতংকৈ বাখ্যা কৰে অসম বিজ্ঞান সমিতি, পূব কামৰূপ শাখাৰ কাৰ্যনিৰ্বাহক সদস্য লাকি আহমেদে। এই অনুষ্ঠানত প্ৰায় ন শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। সদৌ শেষত বিহদিয়া আদৰ্শ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ মহোদয় তপন শৰ্মাই শলাঁগৰ শৰাই আগবঢ়াই অনুষ্ঠানতিৰ সমাপ্তি ঘোষণা কৰে।












পূব কামৰূপ শাখাঃ আজি ২৭/১২/২০২৫ ইং তাৰিখে "ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ"ৰ উদ্যোগত, "অসম বিজ্ঞান সমিতি, পূব কামৰূপ শাখা"ৰ সহযোগত "বুঢ়া লোকপ্ৰিয় গোপীনাথ বৰদলৈ উ: মা: বিদ্যালয়ৰ মহাৰজত জয়ন্তী উপলক্ষে "বিজ্ঞানৰ এক কৰ্মশালা আৰু ভ্ৰাম্যমাণ প্ৰদৰ্শনী" অনুষ্ঠিত কৰা হয়। অনুষ্ঠানটো উদ্বোধন কৰে "ৰাজ্যিক কৃতি শিক্ষক"ৰ বঁটা বিজয়ী শিক্ষক হিৰণ্য কুমাৰ নাথে। অনুষ্ঠানৰ আত ধৰে মহাৰজত জয়ন্তী উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি ড° মতিউৰ ৰহমান ডাঙৰীয়াই আৰু সহযোগ কৰে হেৰম্ব নাথ ডাঙৰীয়াই। অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ -ছাত্ৰীৰ মাজত বিজ্ঞান আৰ্হি প্ৰদৰ্শন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়; প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত থাকে গোলাঘাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ছাত্ৰ প্ৰিয়মজ্যোতি দাস আৰু শিক্ষক দিপ্তনীল দত্ত। অনুষ্ঠানৰ আৰম্ভনিতে "যাদুৰ অন্তৰালত বিজ্ঞান" কাৰ্যসূচী ৰূপায়ন কৰে অসম বিজ্ঞান সমিতি, পূব কামৰূপ শাখাৰ সম্পাদক আলটাফ হুচেইন খণ্ডকৰ ডাঙৰীয়াই। ছাত্ৰ-ছাত্ৰীৰ মাজত ৰাসায়ন আৰু পদাৰ্থ বিজ্ঞানৰ বিভিন্ন পৰীক্ষা প্ৰদৰ্শন কৰি সহজ ভাষাত বিজ্ঞানৰ বিভিন্ন কথা বুজাই দিয়ে সমল ব্যক্তি বিকাশ ডেকা (ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ, অসম) আৰু নয়নমনি মেধি (ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ, অসম) এ।





শেষত ছাত্ৰ ছাত্ৰীৰ মাজত "ভ্ৰাম্যমাণ বিজ্ঞান প্ৰদৰ্শনী বাহন"ত থকা বিভিন্ন আৰ্হিৰ কথা বিতংকৈ বাখ্যা কৰে অসম বিজ্ঞান সমিতি, পূব কামৰূপ শাখাৰ কাৰ্যনিৰ্বাহক সদস্য চাহিল মহ: চাবেৰিন আৰু সদস্য লাকি আহমেদ, ৰেকিবুৰ ৰহমান। এই অনুষ্ঠানত প্ৰায় চাৰি শতাধিক ছাত্ৰ-ছাত্ৰী আৰু পুৰুষ মহিলাই অংশগ্ৰহণ কৰে।

আজি ১৭ ডিচেম্বৰ, ২০২৫ তাৰিখে Novotel হোটেলত Assam LiFE for Nature Summit ৰ অনুষ্ঠানত প্ৰকৃতিৰ সম্পৰ্কত অসম বিজ্ঞান সমিতিয়ে কৰি থকা কাৰ্যসূচী সম্পৰ্কত বহলাই ব্যাখ্যা কৰো। অনুষ্ঠানটিত সমিতিৰ সদস্য বিমান সন্দিকৈও উপস্থিত থাকে।

-প্ৰধান সচিব, অসম বিজ্ঞান সমিতি












## সজাগতা সভা

# "পাৰ্থেনিয়াম আৰু ইয়াৰ ভয়াবহতা"

20-12-2025, আজি মৰিগাঁও জিলাৰ নেলী চৰকাৰী মজলীয়া বিদ্যালয়ৰ ইক ক্লাব (ECO CLUB) আৰু অসম বিজ্ঞান সমিতিৰ মৰিগাঁও শাখাৰ যৌথ উদ্যোগত 'পাৰ্থেনিয়ামৰ ভয়াবহতা' শীৰ্ষক এখনি বিশেষ সজাগতা সভা আৰু প্ৰদৰ্শনী অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে মৰিগাঁও জিলাৰ আয়ুক্ত শ্ৰীমতী অনামিকা তেৱাৰীয়ে অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত অনামিকা তেৱাৰী ডাঙৰীয়ানীয়ে তিনিটা গুৰুত্বপূৰ্ণ বিষয়—পাৰ্থেনিয়াম, কেঁচুসাৰ (বিদ্যালয়ত উৎপাদিত), আৰু জলবায়ু পৰিৱৰ্তনৰ ওপৰত প্ৰস্তুত কৰা প্ৰকল্পৰ এক প্ৰদৰ্শনী আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মহোদয়াই প্ৰদৰ্শনীৰ সৈতে জড়িত ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে আৰু তেওঁলোকক যথেষ্ট অনুপ্ৰেৰণা যোগায়, লগতে ভৱিষ্যতলৈ আগবাঢ়ি যোৱাৰ বাবে উপদেশ দিয়ে।

সজাগতা সভাখনত মুখ্য আলোচক হিচাপে অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট (Principal Investigator AICRP on Weed Management) কৃষি বিজ্ঞানী ড° মিলন জ্যোতি কোঁৱৰ আৰু ড° শৰৎ চন্দ্ৰ বৰাই অংশগ্ৰহণ কৰি পাৰ্থেনিয়ামৰ ক্ৰমবৰ্ধমান ভয়াবহতা আৰু ইয়াৰ নিয়ন্ত্ৰণৰ উপায়সমূহৰ বিষয়ে বিশদভাৱে আলোচনা কৰে।এই গুৰুত্বপূৰ্ণ অনুষ্ঠানত অন্যান্য বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত D.I.E.T ৰ অধ্যক্ষ কিশোৰ কুমাৰ দাস ,অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাৰ সাধাৰণ সম্পাদক শ্ৰী নিৰোদ কুমাৰ বৰা, ইক ক্লাব ৰ জিলা












শ্ৰী নিৰোদ কুমাৰ বৰা, ইক ক্লাব ৰ জিলা সমন্বয়ক ড° ইমদাদ আলি সহ অন্যান্য সদস্যসকল উপস্থিত থাকে।জিলা আয়ুক্ত মহোদয়াই বিদ্যালয়ত উৎপাদিত উন্নত মানৰ ৭ কেজি কেঁচুসাৰ (vermicompost) নিজৰ লগত লৈ যোৱাটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰচেষ্টাক বিশেষভাৱে স্বীকৃতি দিয়ে। বিদ্যালয় প্ৰধান শ্ৰী আচাষাছ ৰ নেতৃত্বত সমগ্ৰ কাৰ্যসূচীখন সুকলমে পৰিচালনা কৰে বিদ্যালয়খনৰ সহকাৰী শিক্ষয়িত্ৰী শ্ৰীমতী ঋপজ্যোতি দত্তই।





## সজাগতা সভা

















## মধ্য ছয়দুৱাৰ শাখা

মধ্য ছয়দুৱাৰ শাখাঃ আজি ইং ২৩ ডিচেম্বৰ ২০২৫ তাৰিখে অসম বিজ্ঞান সমিতিৰ প্ৰধান সচিব ডাঙৰীয়াই মধ্য ছয়দুৱাৰ শাখাৰ নৱ নিৰ্মিত কাৰ্যালয়ত উপস্থিত হৈ শাখাৰ সদস্য সদস্যা সকলৰ লগত এক সৌহাদ্যমূলক আলোচনাত মিলিত হয়। শাখাৰ তৰফৰ পৰা তেখেতক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।










# National Mathematics Day celebrated at Dergaon

Dec 25: Along with the other parts of the country, National Mathematics Day (NMD), the 138th birthday of the legendary mathematician Srinivasa Ramanujan, was celebrated with the focal theme 'Mathematics, Art, and Creativity' at Dergaon on December 22.

Quiztival, a leading quiz group based at Dergaon, in association with the Dergaon branch of Assam Science Society (ASS) and nature organisation Aashray orpenized an all-Assam open quiz competition through online mode, where a large number of quizzers participated. Securing the highest score, Abhijit Bora (32) of Dergan clinched the best quizzer award in the keenly contested quiz, where Di-verse questions on Mathematics were asked. Similarly, Porismrita Mahanta (31) of Ganakpukhari and Silpishikha Boruah (29) of Jorhat jointly secured the second position while Biplab Jyoti Kalita (30) and Animesh Boruah (20) of Dergeon, who jointly secured the third position. Devajit Sarmah (34) of Jorhat and Saranga Hazarika (19) of Golaghat were declared for the fourth and fifth positions, respectively.


The honorary director of Quintival, Dr. Sanjoy Kr Haraika, was the Quiz master.

National Mathematics Day was formally instituted on December 26, 2011, by thes then Prime Minister Dr Monmohan Singh.

## বৰক্ষেত্ৰী শাখা

বৰক্ষেত্ৰী শাখা: অসম বিজ্ঞান সমিতিৰ নলবাৰীত হব লগা আগন্তুক ৰাজ্যিক ভিত্তিক বাৰ্ষিক অধিবেশন সম্পৰ্কে বৰক্ষেত্ৰী শাখাৰ কা. সভাপতি, সম্পাদকৰ সৈতে আজি হোৱা এক আলোচনাত। উল্লেখযোগ্য যে অহা জানুৱাৰী মাহত এখনি শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হব।








অসমীয়া প্ৰতিদিন

অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ মঙলবাৰ, ২৩ ডিচেম্বৰ, ২০২৫/৭ পুহ, ১৯৪৭ শক

## পিছলা শাখা বিজ্ঞান সমিতিৰ ৰূপালী জয়ন্তীৰ প্ৰস্তুতি

প্ৰতিদিন সেৱা, নাৰায়ণপুৰ, ২২ ডিচেম্বৰ ঃ পিছলা শাখা বিজ্ঞান সমিতিৰ ৰূপালী জয়ন্তী অহা ২৭ আৰু ২৮ ডিচেম্বৰত নাৰায়ণপুৰৰ জৰাবাৰীৰ জ্যোতি সংগমত আয়োজন কৰা হৈছে। ২৭ ডিচেম্বৰৰ পুৱা বিনোদ ভূঞা আৰু বিনোদ তামুলীৰ পৰিচালনাত পৰিবেশ নিকাকৰণ, বৃক্ষবন্ধু লীলা হাজৰিকাৰ দ্বাৰা গছপুলি ৰোপণৰ পিচতে শাখাৰ মুখ্য পতাকাসহ ২৫ খন পতাকা উত্তোলন কাৰ্যসূচীত মুখ্য উত্তোলক হিচাপে অংশগ্ৰহণ কৰিব শাখাৰ সভাপতি ড° লক্ষীৰাম ভূঞাই। স্মৃতি তৰ্পণ অনুষ্ঠানত মুখ্য তৰ্পক হিচাপে শাখাৰ প্ৰাক্তন সভাপতি ড° দুলাল চন্দ্ৰ শইকীয়া আৰু স্মৃতিচাৰক হিচাপে শাখাৰ প্ৰাক্তন সভাপতি গহীন চন্দ্ৰ শইকীয়াই অংশগ্ৰহণ কৰিব। ইয়াৰ পিচতে বিজ্ঞান প্ৰকল্প আৰু প্ৰদৰ্শনী মুকলি কৰিব শাখাৰ প্ৰাক্তন সভাপতি মোহন চন্দ্ৰ হাজৰিকাই। গ্ৰন্থ উন্মোচন কৰিব মাধবদেব বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অৰূপজ্যোতি চৌধুৰীয়ে। ছাত্ৰ-ছাত্ৰীৰ মাজত খেল-ধেমালিৰ মাজেৰে গণিত আৰু বিজ্ঞান শিক্ষাৰ আমোদজনক কৌশলৰ লগতে যাদুৰ আঁৰত বিজ্ঞান প্ৰদৰ্শন অনুষ্ঠানৰ উদ্বোধন কৰিব শাখাৰ প্ৰাক্তন সভাপতি অতুল চন্দ্ৰ হাজৰিকাই। অনুষ্ঠানত পাৰদৰ্শী ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব বিজ্ঞান প্ৰচাৰক বিপুল [illegible]। [illegible] গোলাপ বৰুৱা, পঞ্চায়ত আৰু [illegible] প্ৰশিক্ষণ প্ৰতিষ্ঠান লখিমপুৰ কেন্দ্ৰৰ সহযোগত 'বহনক্ষম উন্নয়ন আৰু কাৰ্বন নিউট্ৰেলিটি' বিষয়ত অনুষ্ঠিত হ'বলগীয়া সজাগতা সভাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব নাৰায়ণপুৰ উন্নয়ন খণ্ডৰ বিত্তীয় সাক্ষৰতা অভিযানৰ লখিমপুৰ কেন্দ্ৰ তথ্য সমন্বয়ক [illegible] হাজৰিকাই। ২৮ ডিচেম্বৰৰ পুৱা অভিনন্দন, সম্বৰ্ধনা, প্ৰমাণপত্ৰ বিতৰণ, স্মৃতিগ্ৰন্থ উন্মোচন আৰু বিজ্ঞানীৰ সৈতে ছাত্ৰ-ছাত্ৰীৰ মাজত অন্তৰংগ আলাপ আৰু মুখামুখি অনুষ্ঠানৰ লগতে মুকলি সভা উদ্বোধন কৰিব অসম বিজ্ঞান সমিতিৰ সচিব মৃণাল কুমাৰ হাজৰিকাই। ড° লক্ষীৰাম ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব 'বিজ্ঞান জেউতি'ৰ সম্পাদক অভিজিত শৰ্মা বৰুৱাই। সভাত মুখ্য বক্তা হিচাপে অসম বিজ্ঞান সমিতিৰ সভাপতি ড° অৰূপ কুমাৰ মিশ্ৰই অংশগ্ৰহণ কৰাৰ বিপৰীতে বিশিষ্ট অতিথি হিচাপে সাংসদ ৰঞ্জিত দত্ত, বিধায়ক ড° অমিয় কুমাৰ ভূঞা, অসম পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন পৰিষদৰ অধ্যক্ষ দেৱানন্দ হাজৰিকা, অসম বিজ্ঞান প্ৰযুক্তি বিদ্যা আৰু পৰিবেশ পৰিষদৰ সঞ্চালক ড° জয়দীপ বৰুৱা, অসম বাতৰি কাকত [illegible] সম্পাদক ৰঞ্জিত ভট্টাচাৰ্য আৰু [illegible] উপাধ্যক্ষ [illegible] অংশগ্ৰহণ কৰিব। সন্মানীয় অতিথি হিচাপে সমাজকৰ্মী নাৰায়ণ ভূঞা, [illegible] শইকীয়া আৰু [illegible] অংশগ্ৰহণ কৰিব।










অসম বিজ্ঞান সমিতি, পিছলা শাখাৰ ৰূপালী জয়ন্তী মহোৎসৱৰ আলোকচিত্ৰ।











পিছলা শাখাৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে অনুষ্ঠিত কৰা 'অলৌকিক কাণ্ডৰ আঁৰৰ বিজ্ঞান' কাৰ্যসূচীৰ ৰোমাঞ্চকৰ দৃশ্য।












স্থাপিতঃ ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০)ৰ অধীনত পঞ্জীভুক্ত

**অসম বিজ্ঞান সমিতি**

**ASSAM SCIENCE SOCIETY**

**(Regd. Under Societies Registration Act XXI of 1860. Regd. No. 49 of 1960-61)**
**Head Office: Jawaharnagar, Khanapara, Guwahati – 781022, Assam, India**
**Phone No.: +91 60013-99315, E-mail: gsass2014@gmail.com**

## প্ৰেছ বিজ্ঞপ্তি

**৩০ ডিচেম্বৰ, ২০২৫**

যোৱা ২৮ ডিচেম্বৰ, ২০২৫ তাৰিখে প্ৰায় ১০০ হেক্টৰ মাটিকালিত বিস্তৃত অৰণ্য মানৱ যাদৱ পায়েং আৰু তেখেতৰ কন্যা মোনমী পায়েঙৰ প্ৰচেষ্টাত গঢ় লৈ উঠা মোলাই কাঠনি ২.০ ত কোনো দুষ্কৃটিকাৰীয়ে সংঘটিত কৰা অগ্নিকাণ্ডত হাজাৰ জোপাতকৈ অধিক গছকে ধৰি বহুটো পশু-পক্ষী, কীট-পতংগকে আদি কৰি ন কৈ গঢ় লৈ উঠা এই জৈৱ বৈচিত্ৰৰ বিস্তৰ ক্ষতি সাধন হয়। পদ্মশ্ৰী যাদৱ পায়েঙে নিজৰ একক প্ৰচেষ্টাত গঢ়ি তোলা মোলাই বনৰ আৰ্হিতে তেখেতৰ সপোনৰ আঁতধৰি কন্যা মোনমী পায়েঙে মোলাই কাঠনি ২.০ গঢ়ি তুলিছিল। কিন্তু এতিয়ালৈ অচিনাক্ত কিছু দুষ্কৃতিকাৰীৰ হাতত আজি ইয়াৰ বিস্তৰ ক্ষতি সাধন হয়। ই কেৱল অসমবাসীৰ বাবেই নহয়, বৰঞ্চ সমগ্ৰ বিশ্বৰ বাবে এটি বৃহৎ ক্ষতি। অসম বিজ্ঞান সমিতিয়ে উক্ত ঘটনাৰাজিৰ কঠোৰ ভাষাৰে নিন্দা কৰে আৰু অসম চৰকাৰক অনুৰোধ কৰে যে, দোষীক চিনাক্ত কৰি অতি শীঘ্ৰে কঠোৰ শাস্তি প্ৰদান কৰে।

**(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)**
প্ৰধান সচিব
অসম বিজ্ঞান সমিতি


সংবাদ

# মুলাই কাঠনিত অগ্নিসংযোগ কৰা দুৰ্বৃত্তক কঠোৰ শাস্তিৰ দাবী অসম বিজ্ঞান সমিতিৰ

'আমাৰ অসম'ৰ মহানগৰ বাৰ্তা, ৩০ ডিচেম্বৰ : ২৮ ...

## অসম বিজ্ঞান সমিতিৰ দ্বাৰা মুঠ ২০ টা শিক্ষা খণ্ডত সমিতিৰ বিভিন্ন শাখা আৰু কেন্দ্ৰীয় কাৰ্যালয়ৰ পৰা কিতাপ বিতৰণ কৰা হয়।

























# বিজ্ঞান বাৰ্তা

https://assamsciencesociety.in/information/online_magazine

# বিজ্ঞান জেউতি

https://assamsciencesociety.in/information/bijyan_jeuti

# শাখাৰ চিঠি/ *গঠন মূলক পৰামৰ্শ প্ৰেৰণ*

**গৌৰীসাগৰ –দিখৌমুখ শাখাঃ** আমাৰ একান্ত অনুভৱ আৰু কেন্দ্ৰীয় সমিতিলৈ প্ৰস্তাৱ:আপোনালোক সকলোৱে জ্ঞাত যে অসম আৰু অসমীয়াৰ মানৱদৰদী শিল্পী সকলোৰে মৰমৰ জুবিন গাৰ্গয়ে প্ৰকৃতি বিশেষ:ত গছ ভাল পায়। এই কথাষাৰ মৰ্ম সাৰোগত কৰি অসম বিজ্ঞান সমিতিয়ে জুবিন গাৰ্গক জীয়াই ৰাখিব পাৰে। তেখেতৰ মৃত্যু তিথিটোত অথ্যাৎ বছৰৰ ১৯ ছেপ্তেম্বৰ তাৰিখত প্ৰতিখন শাখাই একোখন শিক্ষানুষ্ঠানত একোটা বা ততোধিক বিশেষ গছপুলি (যেনে পলাক্ষ, হেলচ, বড়গছ আদি) ৰোপন কৰি উদযাপন কৰিব পাৰে যিয়ে সংৰক্ষনৰ দিশটো সাঙুৰি লব। লগতে চৌপাক্ষ বিনন্দীয়া হব যত জুবিন গাৰ্গৰ সপোন আশাবোৰ ফলৱতী হব। কিন্তু সেই বিশেষ দিনটো এটা বিশেষ নামেৰে নামাংকিত হব লাগিব যি বিজ্ঞান সমিতিৰ লক্ষ্য আৰু উদেশ্যক প্ৰতিফলিত কৰিব। বিষয়টো যথেষ্ট সময় উপযোগী। এইয়া আমাৰ একান্ত ব্যক্তিগত। লাগিলে বিষয়টো জুবিন গাৰ্গৰ পৰিয়াল, অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা পৰিষদ, জৈৱবৈচিত্ৰ পৰিষদৰ লগতো আলোচনা কৰিব পাৰে। এয়া আমাৰ প্ৰস্তাৱ হে।

ড° নৱজ্যোতি বড়া,
সম্পাদক
গৌৰীসাগৰ -দিখৌমুখ শাখা।


সম্পাদক (WhatsApp), 9435164400

***আশা কৰোঁ এই শিতানত আপোনাসৱৰ পৰা সহাঁৰি পাম আৰু পিছৰ সংখ্যাৰ পৰা আমি পূৰণ কৰিব পাৰিম।***

# আপুৰুগীয়া আলোকচিত্ৰ




অসম বিজ্ঞান সমিতিৰ প্ৰতিনিধি দলৰ সৈতে আলোচনাকালত মুখ্য মন্ত্ৰী গগৈ, খানাপাৰাত











*আশা কৰোঁ এই শিতানত আপোনাসৰৰ পৰা সহাঁৰি পাম*

# আপুৰুগীয়া আলোকচিত্ৰ












2005

©photo@nirud kumar borah

2015

*আশা কৰোঁ এই শিতানত আপোনাসৱৰ পৰা সহাঁৰি পাম*

# ASSAM SCIENCE SOCIETY

# বিজ্ঞান বাৰ্তা

2025

# BIGYAN BARTA

- কেন্দ্ৰীয় সমিতি আৰু শাখাৰ বা-বাতৰি

Vol-2 | Issue-6 | Nov – Dec-2025 | a Bimonthly newsletter